PG EVEN SEMESTER EXAMINATION, 2023

ASSAMESE

2nd Semester

COURSE NO. ASMID – 554

(Assamese Film and Literature)

Full Marks : 70
Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer all the questions

Unit – I

১) 'চলচ্চিত্ৰ', 'বোলছবি', 'চিনেমা' (cinema) আৰু 'মুভি' (Movie) – এই শব্দকেইটাৰ বুৎপত্তিগত অৰ্থ বিচাৰ কৰি চলচ্চিত্ৰৰ উপাদানসমূহৰ বিষয়ে লিখা। ৪+১০=১৪

অথবা

২) চমুটোকা লিখা (যি কোনো দুটা) ৭+৭=১৪

ক) সবাক আৰু নিৰ্বাক চলচ্চিত্ৰ

খ) কাহিনীচিত্ৰ আৰু তথ্যচিত্ৰ

গ) সম্পাদনা আৰু মন্টাজ

ঘ) শ্বট আৰু চিকুৱেন্স

(Turn Over)

Unit – II

৩) জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত অসমীয়া চলচ্চিত্ৰৰ শুভাৰম্ভণি কেনেদৰে ঘটিল লিখি অসমীয়া চলচ্চিত্ৰৰ বিকাশ সম্পৰ্কে চমুকৈ লিখা। ৬+৮=১৪

অথবা

৪) সাহিত্যৰ চলচ্চিত্ৰায়নৰ সুবিধা-অসুবিধা বিচাৰ কৰি অসমীয়া সাহিত্যৰ চলচ্চিত্ৰায়নৰ এক চমু খতিয়ান দাঙি ধৰা। ৬+৮=১৪

Unit – III

৫) অসমীয়া চলচ্চিত্ৰলৈ ভৱেন্দ্ৰনাথ শইকীয়াৰ অৱদানৰ বিষয়ে লিখি 'অগ্নিস্নান' চলচ্চিত্ৰৰ কলা-কৌশল সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ৭+৭=১৪

অথবা

৬) 'অগ্নিস্নান' চলচ্চিত্ৰখন কোন ঔপন্যাসিকৰ কোনখন উপন্যাসৰ আধাৰত নিৰ্মাণ কৰা হৈছে? চলচ্চিত্ৰখনৰ 'মহীকান্ত' আৰু 'মেনকা' চৰিত্ৰ দুটাৰ এটি বিশ্লেষণ আগবঢ়োৱা । ২+৬+৬=১৪

Unit – IV

৭) 'এন্দুৰ' গল্পটিৰ বিষয়বস্তুৰ চমু আভাস দি 'কোলাহল' চলচ্চিত্ৰৰ লগত ইয়াৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰা। ৮+৬=১৪

অথবা

৮) 'হলধৰ' গল্পৰ গল্পকাৰ আৰু 'হলধৰ' চলচ্চিত্ৰৰ পৰিচালকৰ নাম উল্লেখ কৰি চলচ্চিত্ৰখনৰ এক সামগ্ৰিক বিশ্লেষণ দাঙি ধৰা। ২+১২=১৪

Unit – V

৯) চলচ্চিত্ৰত সংগীতৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখি জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' চলচ্চিত্ৰত প্ৰয়োগ হোৱা গীতৰ বিষয়ে এটি আলোচনা যুগুত কৰা। ৬+৮=১৪

অথবা

১০) অসমীয়া চলচ্চিত্ৰ জগতৰ চাৰিগৰাকী সংগীত পৰিচালকৰ নাম লিখা। অসমীয়া চলচ্চিত্ৰত প্ৰয়োগ হোৱা গীতৰ মাজেদি অসমীয়া সমাজ আৰু সংস্কৃতিৰ প্ৰতিফলন কিদৰে হৈছে, আলোচনা কৰা। ৪+১০=১৪

★★★